# GENERAL STUDIES—II

## ( Paper—3 )

*Full Marks* : 250

*Time* : 3 hours

---

### QUESTION PAPER SPECIFIC INSTRUCTIONS

***Please read each of the following instructions carefully before attempting questions***

There are **TWENTY** questions printed in **ENGLISH** and **ASSAMESE**.

**All** questions are compulsory.

The number of marks carried by a question/part is indicated against it.

Answers to Question Nos. **1** to **10** should be in *150* words each, whereas answers to Question Nos. **11** to **20** should be in *250* words each.

Keep the word limit indicated in the questions in mind.

Any page or portion of the page left blank in the Question-cum-Answer (QCA) Booklet must be clearly struck off.

---

akhpati Didi' scheme aligns with the broader missio ... socio-economic empowerment of women.

(Answer in *150* words) 10

দৰিদ্ৰতা দূৰীকৰণ আৰু নাৰীৰ আৰ্থ-সামাজিক সবলীকৰণৰ বৃহত্তৰ অভিযানৰ সৈতে 'লাখপতি দিদি (বাইদেউ)' আঁচনিখনৰ কি সংগতি আছে, আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**2.** "The social value of COVID-19 vaccine exceeds its market value." Critically analyze the statement. (Answer in *150* words) 10

''ক'ভিড-১৯ প্ৰতিষেধকৰ সামাজিক মূল্য ইয়াৰ বজাৰ মূল্যতকৈ অধিক।'' কথাষাৰৰ সমালোচনাত্মক বিশ্লেষণ দাঙি ধৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**3.** "India's participation in global agreements on human rights reflects its commitment to promoting a just and equitable world order." Discuss this statement with reference to India's involvement in international agreements and bodies. Evaluate India's approach to human rights issues at the global level. (Answer in *150* words) 10

''মানৱ অধিকাৰ-সংক্ৰান্তীয় আন্তঃৰাষ্ট্ৰীয় চুক্তিসমূহত ভাৰতবৰ্ষৰ অংশগ্ৰহণে এক ন্যায়সম্মত আৰু সমতাপূৰ্ণ বিশ্বব্যৱস্থা উন্নত কৰিবলৈ থকা ভাৰতবৰ্ষৰ প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰে।'' আন্তঃৰাষ্ট্ৰীয় চুক্তি তথা সংস্থাসমূহত ভাৰতবৰ্ষ জড়িত হোৱাৰ কথা উদ্ধৃতি দি উক্ত বাক্যশাৰী আলোচনা কৰক। আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ-সংক্ৰান্তীয় বিষয়বোৰত ভাৰতবৰ্ষৰ দৃষ্টিভংগীৰ এক মূল্যাংকন কৰক।

(১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**4.** "The Indian diaspora acts as a catalyst for economic growth and cultural exchange, but its potential remains largely untapped." Explore the emerging trends and innovative approaches in leveraging the Indian diaspora for enhancing India's economic competitiveness and global influence.

(Answer in *150* words) 10

''প্ৰবাসী ভাৰতীয়সকলে অৰ্থনৈতিক বিকাশ আৰু সাংস্কৃতিক বিনিময়ৰ বাবে এক অনুঘটক হিচাপে কাম কৰে, কিন্তু এই সম্ভাৱনা বহুলাংশে অব্যৱহৃত হৈ আছে।'' ভাৰতবৰ্ষৰ অৰ্থনৈতিক প্ৰতিযোগিতামূলক সামৰ্থ্য আৰু বিশ্বব্যাপ্ত প্ৰভাৱ বৃদ্ধিৰ বাবে প্ৰবাসী ভাৰতীয়সকলক জড়িত কৰাৰ ক্ষেত্ৰত উদ্ভাৱনামূলক পদক্ষেপ আৰু শেহতীয়া ধাৰাৰ বিষয়ে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**5.** Discuss the significant differences between colonial civil service and the civil service of independent India. Analyze the role of civil service as agents of change in contemporary India. (Answer in *150* words) 10

ঔপনিৱেশিক কালৰ অসামৰিক সেৱা আৰু স্বাধীন ভাৰতৰ অসামৰিক সেৱাৰ মাজত থকা উল্লেখযোগ্য পাৰ্থক্যবোৰ আলোচনা কৰক। ভাৰতৰ সাম্প্ৰতিক প্ৰেক্ষাপটত পৰিৱৰ্তনৰ বাহক হিচাপে অসামৰিক সেৱাৰ ভূমিকা বিশ্লেষণ কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

Bhutan's plan for regional economic hub at G
manner is Assam going to be benefitted by this hub? (Answer in 150 words) 10

গেলেপুত আঞ্চলিক অৰ্থনৈতিক কেন্দ্ৰ (hub) স্থাপনৰ বাবে ভূটানৰ পৰিকল্পনা কি? ইয়াৰ যোগেদি অসম কেনেদৰে উপকৃত হ'ব? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**7.** Can State funding of elections bring in transparency in the poll process? How do the other democracies handle this issue? (Answer in *150* words) 10

নিৰ্বাচনৰ বাবে ৰাষ্ট্ৰই পুঁজিযোগান ধৰিলে নিৰ্বাচন প্ৰক্ৰিয়াটোত স্বচ্ছতা আনিব পৰা যাবনে? এই বিষয়টো আনবোৰ গণতান্ত্ৰিক দেশত কিদৰে পৰিচালিত হয়? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**8.** Do you think fencing of India-Myanmar border is an effective step to check terrorist activities and drugs trafficking? Justify your answer in the light of the Centre's decision to fence the porous India-Myanmar border. (Answer in *150* words) 10

সন্ত্ৰাসবাদী কাৰ্যকলাপ আৰু ড্ৰাগ সৰবৰাহ ৰোধ কৰাৰ ক্ষেত্ৰত ভাৰত-ম্যানমাৰৰ আন্তৰ্জাতিক সীমাত বেৰ নিৰ্মাণ কৰাটো এটা ফলপ্ৰসূ পদক্ষেপ বুলি আপুনি ভাবেনে? ভাৰত-ম্যানমাৰৰ উন্মুক্তপ্ৰায় সীমাত বেৰ নিৰ্মাণ কৰিবলৈ কেন্দ্ৰই লোৱা সিদ্ধান্তৰ প্ৰেক্ষাপটত আপোনাৰ উত্তৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**9.** "Constitutional bodies in India need to fulfil the role of watchdog of democracy while keeping themselves out of executive interference." Discuss this statement while critically evaluating the functioning of the Comptroller and Auditor General (CAG) of India. (Answer in *150* words) 10

''ভাৰতবৰ্ষৰ সাংবিধানিক গোটসমূহে কাৰ্যপালিকাৰ হস্তক্ষেপৰ পৰা আঁতৰি থাকি গণতন্ত্ৰৰ সতৰ্ক-প্ৰহৰীৰ ভূমিকা পালন কৰা উচিত।'' এই মন্তব্যটো আলোচনা কৰক আৰু ভাৰতবৰ্ষৰ নিয়ন্ত্ৰক তথা মহালেখ পৰীক্ষক (CAG)-ৰ কাৰ্যাৱলীৰ এক সমালোচনাত্মক মূল্যাঙ্কন আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**10.** "Bureaucracy is not an obstacle to democracy, but an inevitable complement to it." Evaluate this statement in the light of criticisms suggesting that bureaucracy fails to facilitate change. (Answer in *150* words) 10

''গণতন্ত্ৰৰ বাবে আমোলাতন্ত্ৰ হেঙাৰ নহয়, বৰঞ্চ ই এক অনিবাৰ্য পৰিপূৰকহে।'' আমোলাতন্ত্ৰই পৰিৱৰ্তনক আগবঢ়াই নিয়াত ব্যৰ্থ হোৱা বুলি থকা সমালোচনাৰ আলমত কথাফাঁকিৰ যথাৰ্থতা প্ৰতিপন্ন কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**11.** "The recently passed 'Forest (Conservation) Amendment Bill, 2023' seeks to balance the case of forest conservation with the requirement of strategic infrastructure development." Discuss the possible impact of such interventions in the States of North-East India. (Answer in *250* words) 15

''শেহতীয়াভাৱে গৃহীত 'বন (সংৰক্ষণ) সংশোধনী বিধেয়ক, ২০২৩'-ৰ জৰিয়তে বন সংৰক্ষণৰ উদ্দেশ্য আৰু কৌশলগত (strategic) আন্তঃগাঁথনি নিৰ্মাণৰ মাজত এক সন্তুলন ৰক্ষা কৰিব বিচৰা হৈছে।'' উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহত এনে পদক্ষেপৰ সম্ভাব্য প্ৰয়োগ আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

ıg use of artificial intelligence (AI) is expected to fı transform the ways in which governance is done in India." Discuss the challenges to be faced in this regard. (Answer in *250* words) 15

"কৃত্রিম বুদ্ধিমত্তা (AI)-ৰ ক্ৰমবৰ্ধমান প্ৰয়োগে ভাৰতবৰ্ষৰ প্ৰশাসনীয় কাৰ্যসমূহত মৌলিক ৰূপান্তৰ ঘটাব বুলি আশা কৰা হৈছে।" এই ক্ষেত্ৰত সন্মুখীন হ'ব পৰা প্ৰত্যাহ্বানবোৰ আলোচনা কৰক।
(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**13.** Examine the impact of developed countries' immigration policies on India's skilled workforce and diaspora communities. Analyze how visa regulations and skilled immigration programmes in countries like the United States and Canada affect India's brain drain and diaspora engagement. (Answer in *250* words) 15

ভাৰতবৰ্ষৰ দক্ষতাসম্পন্ন শ্ৰমিকবাহিনী আৰু প্ৰবাসী ভাৰতীয়সকলৰ ওপৰত উন্নত ৰাষ্ট্ৰসমূহৰ অনুপ্ৰবেশ নীতিৰ প্ৰভাৱ পৰীক্ষা কৰক। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কানাডাৰ দৰে দেশৰ ভিচা নিয়ম আৰু দক্ষ লোকৰ অনুপ্ৰবেশ কাৰ্যসূচীয়ে ভাৰতৰ মেধাৰ বহিঃগমন আৰু প্ৰবাসীসকলৰ ওপৰত কেনেদৰে প্ৰভাৱ পেলাইছে সেয়া বিশ্লেষণ কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**14.** "In an era of shifting geo-political alliances, particularly after the COVID-19 pandemic, the influence of developed and developing countries' policies on India's strategic interest demands nuanced examination." Analyze the multi-faceted impact of evolving foreign policies and the political dynamics of major powers on India's national security and regional stability. Provide recent examples and propose innovative diplomatic strategies to safeguard India's interest amidst global uncertainties. (Answer in *250* words) 15

"ভৌগোলিক-ৰাজনৈতিক মিত্ৰতাৰ পৰিৱৰ্তনৰ যুগত, বিশেষকৈ ক'ভিড-১৯ মহামাৰীৰ পিছত, ভাৰতবৰ্ষৰ কৌশলগত স্বাৰ্থৰ ওপৰত উন্নত আৰু উন্নয়নশীল দেশসমূহৰ নীতিৰ প্ৰভাৱৰ এক সূক্ষ্ম পৰ্যালোচনাৰ খুবেই প্ৰয়োজন।" ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু আঞ্চলিক সুস্থিৰতাৰ সন্দৰ্ভত বিকশিত বৈদেশিক নীতি আৰু প্ৰধান শক্তিসমূহৰ ৰাজনৈতিক সমীকৰণৰ বহুমুখী প্ৰভাৱ বিশ্লেষণ কৰক। এই ক্ষেত্ৰত শেহতীয়া উদাহৰণসহ গোলকীয় অনিশ্চয়তাৰ মাজত ভাৰতবৰ্ষৰ স্বাৰ্থসমূহ সুৰক্ষিত ৰখাৰ বাবে উদ্ভাৱনী কূটনৈতিক কৌশলৰ প্ৰস্তাৱ আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**15.** "Good governance is considered a key to achieving sustainable development and human well-being." Evaluate this assertion with reference to the initiatives undertaken by the Government of India in realizing the Sustainable Development Goals (SDGs). (Answer in *250* words) 15

"বহনক্ষম উন্নয়ন আৰু মানৱ কল্যাণ সাধনৰ হকে সু-শাসনক এক গুৰুত্বপূৰ্ণ আহিলাস্বৰূপে গণ্য কৰা হয়।" বহনক্ষম উন্নয়নৰ লক্ষ্য (SDGs)-ক বাস্তৱায়িত কৰাৰ বাবে ভাৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ আলমত এই উক্তিৰ মূল্যায়ন কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

Quadrilateral Security Dialogue (Quad)? Elucidate t
of India under Quad arrangement. (Answer in *250* words) 15

চতুৰ্পক্ষীয় সুৰক্ষা আলোচনা (Quad) কি? এই Quad ব্যৱস্থাৰ জৰিয়তে ভাৰতবৰ্ষৰ বাবে উদ্ভৱ হোৱা সম্ভাৱনাবোৰৰ ওপৰত আলোকপাত কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**17.** "To paraphrase Mark Twain, if you don't watch news, you will be uninformed, if you do, you will be misinformed." In the context of this statement, assess the role of Indian media as the fourth pillar of democracy. (Answer in *250* words) 15

''মাৰ্ক টোৱেইনে কোৱাৰ দৰে, আপুনি যদি বাতৰি নাচায়, তেনেহ'লে আপুনি তথ্যৰ পৰা বঞ্চিত হৈ ৰ'ব, আপুনি যদি চায়, তেনেহ'লে তথ্যৰ দ্বাৰা বিভ্ৰান্ত হ'ব।'' এই উক্তিৰ আলমত গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে ভাৰতীয় সংবাদ মাধ্যমৰ ভূমিকা পৰ্যালোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**18.** Describe the salient features of the Flag Code of India, 2002. (Answer in *250* words) 15

ভাৰতীয় ধ্বজা সংহিতা, ২০০২-ৰ প্ৰধান বৈশিষ্ট্যবোৰ বৰ্ণনা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**19.** "Right to dissent is the lifeline of democracy." Explain. (Answer in *250* words) 15

''ভিন্নমত প্ৰকাশৰ অধিকাৰ গণতন্ত্ৰৰ জীৱন-ৰেখা।'' ব্যাখ্যা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**20.** What is 'Mission Karmayogi'? Analyze its effectiveness in bringing civil service reforms through a capacity-building approach. (Answer in *250* words) 15

'কৰ্মযোগী অভিযান' কি? সামৰ্থ্য বৰ্ধন প্ৰচেষ্টাৰ জৰিয়তে অসামৰিক সেৱাৰ সংস্কাৰৰ ক্ষেত্ৰত এই অভিযানৰ কাৰ্যকাৰিতা বিশ্লেষণ কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

★★★